# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-08-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

HEADLIES

১। অৰাজপত্ৰিত কৰ্মচাৰীসকলৰ উৎকৃষ্ট সেৱাৰ বাবে ৰাজ্য চৰকাৰৰ চলিত বছৰৰ লোকসেৱা পুৰস্কাৰ ঘোষণা।

২। ৰাজ্যৰ ৩৯ হাজাৰো অধিক বিদ্যালয়লৈ সমগ্ৰ শিক্ষা অসমৰ ৫৬ কোটিতকৈ অধিক টকাৰ অনুদান মুকলি।

৩। গোৱালপাৰা জিলাৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিত গছপুলি ৰোপন আৰম্ভ।

৪। মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান আঁচনি ২০২৫ৰ অধীনত নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ বাবে আই আই টি গুৱাহাটীত পৰামৰ্শদান শিবিৰ।

*আৰু*

৫। এণ্ডাৰছন-তেণ্ডুলকাৰ শৃংখলাৰ অন্তিমখন খেলত ৰোমাঞ্চকৰ জয়েৰে ভাৰতৰ সমতা স্থাপন।

০০০০০

ৰাজ্য চৰকাৰে আজি ৰাজ্যখনৰ অৰাজপত্ৰিত কৰ্মচাৰীসকলৰ উৎকৃষ্ট সেৱাৰ বাবে চলিত বছৰৰ ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰসমূহ ঘোষণা কৰিছে। ৰাজ্যিক পৰ্যায়ত অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগৰ দলপতি অংকুৰ নাৰায়ণ দাস, মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ মাল্টি টাস্কিন ষ্টাফ বীৰ বাহাদুৰ ৰায়, ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ জ্যেষ্ঠ সহায়ক চিন্ময় বৰা, বিত্ত বিভাগৰ সহকাৰী শাখা বিষয়া দ্বীপজ্যোতি বনিয়াকে ধৰি ১০ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক পৰ্যায়ৰ লোকসেৱা বঁটা আগবঢ়াইছে। একেদৰে বৰপেটা জিলা আয়ুক্ত কাৰ্যালয়ৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী বিৰেন্দ্ৰ নাথ দাস, বজালী জিলা আয়ুক্ত কাৰ্যালয়ৰ কণিষ্ঠ প্ৰশাসনিক সহায়ক অবিনাশ গোস্বামী, কাছাৰৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক হেমাংগ বড়োকে ধৰি ৫৯ গৰাকী কৰ্মচাৰীলৈ জিলা পৰ্যায়ৰ  লোকসেৱা পুৰস্কাৰ আগবঢ়োৱা হৈছে। ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে এখন বিজ্ঞপ্তি যোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০

সমগ্ৰ শিক্ষা অসমে ৰাজ্যৰ ৩৯ হাজাৰ ৫১৫ খন প্ৰাথমিক বিদ্যালয়লৈ ২০২৫-২৬ বৰ্ষৰ বাবে ৫০ শতাংশ বাৰ্ষিক অনুদান হিচাপে ৫৬ কোটি ৯৭ লাখ টকা মুকলি কৰি দিছে। এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনাৰ জৰিয়তে সমগ্ৰ শিক্ষা অসমে এই ধনেৰে বিদ্যুতৰ মাচুল, ইণ্টাৰনেট মাচুল, বিদ্যালয় গৃহ মেৰামতিকে ধৰি

আন্তঃগাঁথনিমূলক কামকাজ কৰিবলৈ পৰামৰ্শ দিছে। এই অনুদানৰ ধনৰ ১০ শতাংশ স্বচ্ছতা কাৰ্যসূচী পৰিকল্পনাৰ অধীনত ব্যৱহাৰ কৰিবলৈ নিৰ্দেশনাত কোৱা হৈছে।

০০০০০

গোৱালপাৰা জিলাৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত ভূমিত আজিৰে পৰা গছপুলি ৰোপন কৰা হৈছে। যোৱা ১২ জুলাইত বন বিভাগ আৰু প্ৰশাসনে সংৰক্ষিত বনাঞ্চলখনত ১৩৮ হেক্টৰ ভূমি দখলমুক্ত কৰিছে। এই ভূমিৰ প্ৰতি হেক্টৰতে দুহেজাৰ ৫০০টাকৈ গছপুলি ৰোপনৰ বাবে বন বিভাগে লক্ষ্য লৈছে। এই গছপুলি ৰোপনৰ জৰিয়তে অঞ্চলটো সেউজীয়া আৰু প্ৰদূষণমুক্ত কৰাৰ উপৰি হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

উজনি অসমৰ কেইবাখনো জিলাত একাংশ দল-সংগঠনে বিশেষ সম্প্ৰদায়ৰ লোকৰ ওপৰত আতিশয্য চলোৱাৰ অভিযোগ তুলি আজি এ আই ইউ ডি এফৰ এটা প্ৰতিনিধি দলে অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আইন শৃংখলাৰ মহা পৰিদৰ্শক অখিলেশ সিঙক সাক্ষাৎ কৰে। বিধায়ক ৰফিকুল ইছলাম, কৰিমউদ্দিন বৰভূঞা, সুজামুদ্দিন লস্কৰসহ প্ৰতিনিধি দলটোৱে আৰক্ষী মহাপৰিদৰ্শক গৰাকীক সাক্ষাৎ কৰি একাংশ দল-সংগঠনে সংগঠনটোৰ লোকক কৰা হাৰাশাস্তিৰ ঘটনা ৰোধ কৰিবলৈ আহ্বান জনায়। সাংবাদিকৰ আগত তেওঁলোকে এইদৰে কয়।

***(বাইট ঃ এ আই ইউ ডি এফ)***

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বজালী জিলাত সাংবাদিকৰ আগত কয়, যে এনেধৰণৰ কোনো আতিশয্যৰ ঘটনা সন্দৰ্ভত তেওঁ অৱগত নহয়। তেওঁ কয়,

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বি টি আৰৰ বিভিন্ন ঠাইত দলীয় বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি বিজেপিৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। বাক্সা জিলাৰ অদালবাৰী, হাউলী মাজৰগাঁৱত তৃণমূল পৰ্যায়ৰ বিজেপিৰ কৰ্মীৰ সৈতে বাৰ্তালাপ কৰি  মুখ্যমন্ত্ৰী ড০ শৰ্মাই উন্নয়নৰ নতুন লক্ষ্যৰে শান্তিপূৰ্ণ বড়োলেণ্ডৰ বিপুল সম্ভাৱনাৰ দিশত কাম কৰিবলৈ দলটো প্ৰতিজ্ঞাবদ্ধ বুলি মন্তব্য কৰে। ২০ আগষ্টলৈকে বি টি আৰৰ ৪০টা সমষ্টিত দলীয় বিজয় সংকল্প সভা অনুষ্ঠিত হ'ব বুলি মন্তব্য কৰি তেওঁ কয় যে বি টি আৰত দলটোৰ নিৰ্বাচনী সামৰ্থ্য নিৰূপণ কৰিবলৈকে এই সভাসমূহ আহ্বান কৰা হৈছে। আজিৰ সভাত মন্ত্ৰী ৰণজিত কুমাৰ দাস, বি টি আৰৰ কাৰ্যবাহী সদস্য গৌতম দাসকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

সমাগত বি টি আৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হোৱা  এই ৰাজনৈতিক কুচকাৱাজৰ মাজতে অদালবাৰীৰ পৰা হাউলীলৈ যাত্ৰা কৰোতে বজালী জিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমেৰে কথা-বতৰা হয়। ৰাজ্যত চলি থকা উচ্ছেদ কাৰ্য সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে বজালী জিলাতো সীমান্তৱৰ্তী অঞ্চল, বৰপেটাৰ সৰ্থেবাৰী ৰাজহচক্ৰৰ অন্তৰ্গত কাৰৈমাৰী, গলিবন্ধা আৰু সৰ্থেবাৰীৰ বিভিন্ন ঠাইত কেইবাহাজৰ বিঘা ভূমি অতি সোনকালে দখলমুক্ত কৰা

হ'ব। সাধাৰণ ৰাইজক দখলকাৰীক সহযোগ নকৰিবলৈ আহ্বান জনাই ড০ শৰ্মাই ৰাজ্যত এতিয়াও ২৯ লাখ বিঘা মাটি দখলকাৰীৰ কবলত আছে বুলি মন্তব্য কৰে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান আঁচনি ২০২৫ৰ অধীনত বাছনি লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ পাঁচ-দিনীয়া পৰামৰ্শদান শিবিৰ আজিৰে পৰা আই আই টি গুৱাহাটীত অনুষ্ঠিত হৈছে। উচ্চস্তৰৰ বিজ্ঞান আন্তঃগাঁথনি তথা বিজ্ঞানসন্মত বিষয়ৰ প্ৰত্যক্ষ অভিজ্ঞতা আহৰণৰ সুযোগ দিয়াৰ বাবে আই আই টি গুৱাহাটীৰ তত্বাৱধানত এই শিবিৰ মুকলি কৰা হৈছে। উন্নত মানৰ বাছনি প্ৰক্ৰিয়াই ৰাজ্যখনৰ বিভিন্ন জিলাৰ শিক্ষানুষ্ঠানত উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাৰ প্ৰথম বৰ্ষত অধ্যয়নৰত ৪০গৰাকী শিক্ষাৰ্থীক এইবাৰ উদীয়মান বিজ্ঞান প্ৰতিভাৰূপে বাছনি কৰা হৈছে। অহা ৮ আগষ্টলৈ চলিবলগীয়া এই শিবিৰত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক আই আ টি গুৱাহাটীৰ অধ্যাপক আৰু গৱেষকসকলে মৌললিক বিজ্ঞানৰ গুৰুত্বপূৰ্ণ দিশসমূহৰ লগতে আধুনিক বিজ্ঞানৰ ধ্যান-ধাৰণা সম্পৰ্কে অৱগত কৰিব। তদুপৰি বিজ্ঞানৰ উদ্ভাৱনমূলক কাম-কাজৰ বিষয়েও তেওঁলোকক অৱগত কৰোৱা হ'ব। শিক্ষাৰ্থীসকলে বিজ্ঞানাগাৰত হাতে-কামে বিজ্ঞান শিক্ষাৰ অভিজ্ঞতা আহৰণৰ সুযোগ লাভ কৰিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত নৱপ্ৰজন্মৰ মাজত বিজ্ঞানসন্মত মানসিকতা গঢ়ি তোলাৰ বাবে ২০২৪ চনত মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান আঁচনিখন ৰূপায়ণ কৰা হৈছিল। যোৱা বছৰ ৰাজ্যৰ ১০০গৰাকী ছাত্ৰ-ছাত্ৰীক বাছনি কৰি আই আই টি গুৱাহাটীত প্ৰাৰম্ভিক প্ৰশিক্ষণ দিয়াৰ পাছত বাংগালোৰলৈ লৈ গৈ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান আৰু ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ চৌহদত প্ৰত্যক্ষ অভিজ্ঞতা লাভৰ সুযোগ দিয়া হৈছিল। তেওঁলোকৰ মাজৰ পাঁচগৰাকী উদীয়মান বিজ্ঞান প্ৰতিভাক ইংলেণ্ডলৈ নি অক্সফৰ্ড, কেম্বৰিজ আৰু লণ্ডন বিশ্ববিদ্যালয়ৰ বিজ্ঞানাগাৰ চোৱাৰ আৰু বিজ্ঞানীসকলৰ সৈতে মত-বিনিময়ৰ সুযোগ দিয়া হৈছিল। আজি বিজ্ঞান প্ৰশিক্ষণ শিবিৰৰ উদ্বোধনী অনুষ্ঠানত বিজ্ঞান প্ৰযুক্তিবিদ্যা বিভাগৰ বিশেষ সচিব তথা মহাকাশ বিজ্ঞানী পি এল এন ৰাজু, আই আই টি গুৱাহাটীৰ সঞ্চালক অধ্যাপক দেৱেন্দ্ৰ জালিহাল, এষ্টেকৰ সঞ্চালক ড০ জয়দীপ বৰুৱাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

স্বাস্থ্য পৰীক্ষাৰ আইনগত নথিপত্ৰ আৰু মৰণোত্তৰ পৰীক্ষাৰ নথিসমূহ সহজে পাব পৰাকৈ আজি ৰাজ্যৰ স্বাস্থ্য বিভাগে গোৱালপাৰাৰ ছহিদ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়ত প্ৰথমটো মডলেপাৰ (ModLEaPR) প'ৰ্টেল আজি মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। প'ৰ্টেল মুকলি কৰি শ্ৰী গুপ্তাই কয়, যে প'ৰ্টেলটোৰ জৰিয়তে গুৰুত্বপূৰ্ণ নথিসমূহ সংৰক্ষণ কৰাটো সহজ হোৱাৰ লগতে আৰক্ষীৰ বাবে গোচৰসমূহ

ক্ষীপ্রতাৰে সমাধান কৰা সুবিধা হ'ব। স্বাস্থ্য বিভাগৰ সঞ্চালক ডাঃ উমেশ ফাংচ'য়ে অনুষ্ঠানত দিয়া ভাষণত এইদৰে কয়,

*(বাইট ঃ ডাঃ উমেশ ফাংচ')*

এই অনুষ্ঠানত গোৱালপাৰাৰ আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ উপৰি এই অনুষ্ঠানত স্বাস্থ্য সেৱা সঞ্চালকালয় আৰু অসম আৰক্ষীৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

ooooo

প্ৰসিদ্ধ গীতিকাৰ আনন্দিৰাম দাসৰ পূণ্য তিথি উপলক্ষে আজি তেওঁৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। বন কোঁৱৰ উপাধিৰে সন্মানিত দাসক বনগীতৰ স্ৰষ্টা বুলিও অভিহিত কৰা হৈছিল। অসমীয়া চলচ্চিত্ৰ বদন বৰফুকন, লাচিত বৰফুকন, পাৰঘাট আৰু ভক্ত প্ৰহ্লাদৰ বাবে গীত ৰচনা কৰা গীতিকাৰ গৰাকীয়ে বিৰহী আৰু সুৰ নিজৰা নামৰ দুখন প্ৰকাশিত গীতৰ সংকলনেৰে অসমীয়া গীতি সাহিত্যক চহকী কৰি থৈ গৈছে। ১৯৫৯ চনত গুৱাহাটীৰ প্ৰগতি শিল্পী সংঘই তেওঁক বনকোঁৱৰ আৰু নিউ আৰ্ট প্লেয়াৰ্ছে বনগীতৰ ওজা উপাধিৰে সন্মানিত কৰিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বনামধন্য শিল্পীগৰাকীৰ পূণ্য তিথি উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰি দিয়া বাৰ্তাত অসমীয়া গীতি সাহিত্যক চহকী কৰি যোৱা গীতিকাৰ গৰাকীৰ গীতত মাটিৰ গোন্ধ পোৱা যায় বুলি উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বনকোঁৱৰ আনন্দিৰাম দাসৰ অৱদানে অসমীয়া গীতি সাহিত্য তথা সংগীত জগতক অনন্য মাত্ৰা প্ৰদান কৰি গৈছে বুলি মন্তব্য কৰে। আজি গুৱাহাটী প্ৰেছ ক্লাবত বন গীতৰ স্ৰষ্টাজনক সুঁৱৰি এখন স্মৃতিচাৰণ সভা বনকোঁৱৰ দিৱস হিচাপে অনুষ্ঠিত হয়। সভাত বনকোঁৱৰ গ্ৰন্থৰ ৰচক কিশোৰী মোহন পাঠক আৰু বিশিষ্ট সংগীতজ্ঞ ড০ ৰমেন চৌধুৰীক সাহিত্য আৰু সংগীতৰ ক্ষেত্ৰত বনকোঁৱৰ বঁটাৰে সন্মানিত কৰা হয়। সভাত বনগীতৰ ওজাজনৰ কন্যা নীলিমা দাসো উপস্থিত থাকে।

যোৰহাটতো বনকোঁৱৰ আনন্দীৰাম দাসৰ ৫৬ সংখ্যক মৃত্যু দিৱস উপলক্ষে তথ্য সত্ৰ প্ৰদৰ্শনী বাহনা মহাবিদ্যালয়ত অনুষ্ঠিত হয়। এই অনুষ্ঠানত আনন্দীৰাম দাসৰ সংগীতক ইউৰোপীয় সংগীতৰ সৈতে একত্ৰে উপস্থাপন কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হয়।

ooooo

আজি পুৱা বৰপেটাৰ গলিয়াহাটীৰ নিজ বাসগৃহত দেহাৱসান  ঘটা শাস্ত্ৰীয় সংগীতজ্ঞ, বিশিষ্ট বেহেলাবাদক, অৱসৰপ্ৰাপ্ত শিক্ষক সত্যকৃষ্ণ মিশ্ৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি বৰপেটা চহৰৰ নখান্দা নদীৰ পাৰৰ শ্মশানত সম্পন্ন কৰা হয়। ইয়াৰ আগতে প্ৰয়াত সংগীতজ্ঞগৰাকীৰ প্ৰতি ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।  আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, বৰপেটাৰ সমাজ জীৱনৰ অভিভাৱক স্বৰূপ মিশ্ৰৰ মৃত্যুৰ সময়ত বয়স হৈছিল ১০০ বছৰ। ১৯২৬ চনত বৰপেটাৰ এটা সংস্কৃতিবান পৰিয়ালত জন্মগ্ৰহণ কৰা মিশ্ৰ সৰুৰেপৰা সংগীত চৰ্চাত নিমগ্ন আছিল। এগৰাকী ফুটবল খেলুৱৈ আৰু অভিনেতা হিচাপে দক্ষতা থকা মিশ্ৰ বৰপেটা বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথমগৰাকী অধ্যক্ষ আছিল। দেশৰ কেইবাখনো ৰাজ্যৰ আগশাৰীৰ শাস্ত্ৰীয় সংগীতানুষ্ঠানত বেহেলা বাদন পৰিৱেশন কৰি তেওঁ দৰ্শকক আপ্লুত কৰিছিল। তেওঁৰ দুই পুত্ৰ প্ৰদ্যুৎ মিশ্ৰ আৰু বিদ্যুৎ মিশ্ৰয়ো পিতৃৰ পদাংক অনুসৰণ কৰি সংগীত সাধনাকে জীৱনৰ ব্ৰত কৰি লৈছে। সত্যকৃষ্ণ মিশ্ৰৰ মৃত্যুত ৰাজ্যখনৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়ে শোক প্ৰকাশ কৰাৰ বাতৰি আমালৈ আহি আছে।

০০০০০

যোৰহাট আৰক্ষীৰ তিতাবৰ মহকুমা শাখাই আজি এটা চুৰি গোচৰত পাঁচজন ব্যক্তিক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। তিনি দিন আগতে তিতাবৰৰ মিহিৰাম শইকীয়া বিদ্যালয়ত সংঘটিত এটা চুৰিৰ গোচৰৰ পৰিপ্ৰেক্ষিতত ব্যক্তিকেইজনক গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ লগতে আৰক্ষীয়ে অভিযুক্তকেইজনৰ পৰা চুৰি হোৱা সামগ্ৰীসমূহ উদ্ধাৰ কৰে।

০০০০০

ডিব্ৰুগড় জিলাৰ খোৱাং চাৰিআলিৰ নৱনিৰ্মিত উৰণ সেতুত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন লোক নিহত হয়। নিহত লোক দুজন খোৱাং চাহ বাগিচাৰ গাড়ীচালক প্ৰণৱ দাস আৰু মণিপথাৰ নিবাসী ৰাহুল পাটৰ বুলি চিনাক্ত কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে বলবমলৈ যাবৰ বাবে নৱনিৰ্মিত উৰণ সেতুৰ কাষত ৰখাই থোৱা দুখন বাহনক গুৱাহাটীৰ পৰা যোৱা এখন নৈশ বাছে খুন্দিওৱাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত আন ছজন লোক গুৰুতৰভাৱে আহত হয়। আহতসকলক অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। উল্লেখযোগ্য যে দুৰ্ঘটনা সংঘটিত বাহন দুখনত শিশুসহ ১৩ জন যাত্ৰী আছিল।

০০০০০

হোজাই জিলাত পথ সুৰক্ষাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ লগতে বাল্য বিবাহ, শিশু শ্ৰমিক আৰু মাদকদ্ৰব্যৰ বিৰুদ্ধে সজাগতাৰ সৃষ্টিৰ বাবে জিলা প্ৰশাসনে বিশেষ অভিযান ৰূপায়ণ কৰিছে। এই উপলক্ষে হোজাইৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত এখন বিশেষ বাহনৰ যাত্ৰাৰ শুভাৰম্ভ কৰা হয়। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে এই যাত্ৰাৰ শুভাৰম্ভ কৰে।

০০০০০

নগাঁও জিলাৰ ছাপানলাৰ হদহদী জলপ্ৰপাতত গা ধুবলৈ গৈ আজি পুৱা এজন যুৱকৰ মৃত্যু হয়। যুৱকজন নগাঁৱৰ লাওখোৱা ৰোডৰ ২১ বছৰীয়া ছনায়াম জৈন বুলি জানিব পৰা গৈছে। পুৱা গা ধুবলৈ গৈ যুৱকজন পানীত বুৰ যোৱাৰ পাছত এছ ডি আৰ এফৰ দলে ঘটনাস্থলীত উপস্থিত হৈ তেওঁৰ মৃতদেহ উদ্ধাৰ কৰে।

০০০০০

এণ্ডাৰছন-তেণ্ডুলকাৰ শৃংখলাত ভাৰতে ২-২ৰ সমতা স্থাপন কৰিছে। অভেলত অনুষ্ঠিত পঞ্চম তথা অন্তিম টেষ্টৰ আজি পঞ্চম দিনা কেৱল ৫৭ মিনিটতে ভাৰতীয় বলাৰ মহম্মদ চিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণই ইংলেণ্ডৰ দ্বিতীয় ইনিংছৰ বাকী থকা চাৰিটা উইকেট অধিকাৰ কৰি দলক অবিশ্বাস্য বিজয়ৰ সোৱাদ দিয়ায়। ইংলেণ্ড ৬ ৰাণত পৰাজিত হয়। মহম্মদ চিৰাজে বিধবংসী বলিঙেৰে ইংলেণ্ডৰ দ্বিতীয় ইনিংছত পাঁচটা উইকেট দখল কৰে। মহম্মদ চিৰাজক প্লেয়াৰ অব দ্য মেচ আৰু শুভমন গিলক প্লেয়াৰ অব দ্য চিৰিজ ঘোষণা কৰা হয়।

০০০০০

সমাপ্ত